পৰিশিষ্ট

টুনী

ভৈয়ামত গৰু মেলি দি নিজৰাৰ কুলু কুলু মাতত সুৰ মিলাই টুনীয়ে যেতিয়া আপোন মনে গীত গাই পানীবোৰ নাচি নাচি আৰু শিলৰ গাত আচাৰ খাই গুচি যোৱা চাবলৈ ধৰিছিল, তেতিয়া পাছফালৰ পৰা বাংখঙে আহি তাইৰ দুই চকু ঢাকি ধৰিলে। তাই তাৰ হাতত ধৰি ভুল নাম ক'লে, "থাংৰিং।"

গুনি বাংখঙৰ মুখখন ক'লা পৰিল। টুনীৰ চকু এৰি দিলে। থাংৰিং যে তাৰ প্ৰেমৰ প্ৰতিদ্বন্দ্বী। তাইক আপোন কৰি লোৱাৰ পক্ষে ঘোৰতৰ অন্তৰায়। সি একো নামাতিলে। চকু খোলা পাই টুনীয়ে দেখিলে থাংৰিং নহয় বাংখঙহে। হাঁহি ক'লে, "মইহে, কিয় আহিছ?"

বাংখঙে এটা হুমুনিয়াহ পেলাই ক'লে, "কিয় আহিছোঁ, তোক কেনেকৈ বুজাম টুনী? এই বুকুখন ফালি চা টুনী?"

কথাষাৰ শেষ নৌহওঁতেই টুনীয়ে মুখখন বেঁকা কৰি ক'লে, "কিনো সদায় একে কথাকে কৈ থাক অ', ভাল নালাগে। বহি এটা গীতকে গা।"

বাংখং তাইৰ ওচৰতে বহিল। তাইৰ মুখৰ ফালে চাই ক'লে, "তয়ে গাচোন বাৰু কি গাইছিলি।" টুনীয়ে মিচিকিয়া হাঁহি এটা মাৰি ক'ব খুজিছিল, এনেতে থাংৰিঙক দেখি ক'লে, "সৌৱা থাংৰিং আহিছে।"

থাংৰিঙৰ হাতত এথোপা ফুল। ওচৰলৈ আহি টুনীক ফুলথোপা উপহাৰ দিলে। তাই মহাৰঙেৰে খোপাত গুজিলে, কাণত পিন্ধিলে আৰু কেইটিমান হাতত লৈ সুঙিবলৈ ধৰিলে।

তাকে দেখি বাংখঙৰ অন্তৰ পো�ৰা যেন লাগিল। অলপ পৰ থাকি সি ক'লে, "এইবোৰ ফুলৰ গোন্ধ ভাল নহয়। মই ভাল ফুল লৈ আহোঁগৈ।"

কথাৰ লগে লগে সি উঠি পৰ্বতৰ ওপৰলৈ গ'ল। কিবা এবিধ ফুলৰ গছত উঠিবলৈ গৈ মেৰেত কৰি ডাল ভাঙি পৰিল। পৰাৰ শব্দৰ লগত অঁ আঁ শব্দ উঠিল। টুনীয়ে "আ ঐ দেহি কিবা হ'ল ঐ" বুলি শব্দ অনুসৰি লৰ মাৰিলে।

ওচৰলৈ গৈ তাই দেখিবলৈ পালে বাংখাং অজ্ঞান হৈ পৰি আছে। থাংৰিঙে সৈতে দুয়ো ধৰাধৰিকৈ তাক নিজৰাৰ ওচৰলৈ আনি তাৰ মুৰত পানী দিবলৈ ধৰিলে। কিছু পৰৰ মূৰত তাৰ জ্ঞানৰ সঞ্চাৰ হ'ল। দেখি টুনীয়ে ৰং পালে। তাইৰ কাৰণে ফুল আনিবলৈ গৈ এই কাণ্ড।

বাংখঙৰ হাতত ধৰি টুনীয়ে ক'লে, "ক'ত দুখ পাইছ অ?" বাংখঙে তাইৰ হাতখন ধৰি টানি নি নিজৰ বাঁও পাঞ্জৰত দেখু�ৰাই দিলে। পিছত তাইৰ হাতখন নিজৰ বুকুত লৈ ধৰি থাকিল। টুনীয়ে আন হাতেৰে তাৰ কপালত আউলী-বাউলী হৈ থকা চুলিবোৰ গুচাই দিবলৈ ধৰিলে। বাংখঙৰ সকলো যন্ত্ৰণাৰ ভিতৰত টুনীৰ এনে মৰমিয়াল হাতৰ স্পৰ্শত দুই চকুৰে আনন্দৰ অশ্ৰু কেইটুপিমান পৰিল।

এই দৃশ্য থাংৰিঙৰ ভাল নালাগিল। সি টুনীক মাতি দেখু�ৰালে, "সৌৱা চা, তোৰ গৰুবোৰ কোন ফাললৈ যাব ধৰিছে?" টুনীয়ে চাই ক'লে, "তয়ে যা, ঘুৰাই লৈ আহগৈ"।

থাংৰিঙে ভাবিছিল তাই বাংখঙক এৰি তাৰ লগতে গৰু ঘূৰাবলৈ যাব; কিন্তু সেইটো হৈ নুঠিল। মনত দুখ কৰি ভৈয়ামলৈ নামি গ'ল।...

আজি আকৌ টুনী আৰু থাংৰিঙৰ গৰু চৰোৱাৰ পাল পৰিছে। বৰ গছৰ তলত গৰু-বাথান। দুপৰীয়া গৰুবোৰ ছাঁত লৈ গৈ দুয়ো বৰগছৰ ছাঁতে বহিল। সুযোগ পাই থাংৰিঙে আৰম্ভ কৰিলে, "টুনী, তোক পালে মোক আৰু একো নালাগে। কিন্তু তই মোৰ দুখ নুবুজ।"

টুনীয়ে অলপ ব্যগ্ৰ হৈ সুধিলে, "মই তোৰ কোনো দুখ নুবুজো?"

থাংৰিং— বাংখঙৰ লগত তই ফুৰ কিয়? তেনেকৈ ফুৰা দেখিলে মোৰ বৰ বেয়া লাগে।

টুনী— ফুৰিলেনো কি হ'ব? তাত বেয়া পাবৰ কি কাৰণ আছে?

থাংৰিং— তাত কাৰণ থাকক বা নাথাকক, তই তেনেকৈ নফুৰিবি দে।

টুনী— কিয় নুফুৰিম? লাগক তোৰ বেয়া।

টুনীৰ কথা শুনি থাংৰিঙৰ চকুযুৰি চল্‌চলীয়া হ'ল। সি এটা হুমুনিয়াহপেলালে। দেখি টুনীয়ে তাৰ হাতত ধৰি ক'লে, "কিয়, "কিয় তেনেখন কৰিছ তই? কি, কি কৰিলে তোৰ ভাল লাগে, মই তাকেই কৰিম। নুফুৰোঁ আৰু তাৰ লগত।

টুনীৰ কথা শুনি থাংৰিং সুস্থ হ'ল। মনৰ আনন্দত তাৰ ক'লা পৰা মুখত আকৌ হাঁহি বিৰিঙিল। তাইৰ হাত দুখনত ধৰি প্ৰেমত ভৰপুৰ অন্তৰৰ এটি স্নিগ্ধ দৃষ্টিৰে তাইৰ মুখৰ ফালে চাই ৰ'ল। তাকে দেখি টুনীয়ে হাঁহি মাতি ক'লে, "সদায় মুখৰ ফাললৈকে এনেদৰে চাই থাকিলে কিনো ভাল পাবি? তাতকৈ নহয় গীত এটাকে গা নাইবা বাঁহীটোকে বজা।"

থাংৰিং— "মই বাঁহী বজাওঁ তই গা।" ইয়াকে কৈ পাছফালে কঁকালত গুজি থোৱা বাঁহীটো উলিয়াই মুখ হলাই হলাই বজাবলৈ ধৰিলে। প্ৰকৃতি প্ৰসন্ন হ'ল। প্ৰাণ ভৰপুৰ। নানাবিধ পৰ্বতীয়া চৰাইৰ সুললিত মাতত দিগন্ত মুখৰিত। নিজৰাৰ জিৰ্ জিৰ্ শব্দৰ লগত দেৱঘণ্টাৰ (এবিধ পোক) টি টিং ৰিং ৰিং ধ্বনি উঠি এটি স্বৰ্গীয় মাধুৰী আহি মৰ্ত্যত মিলিছে। এনেতে এটি বিঘিনি উপস্থিত হোৱাত সকলো উলটি গ'ল। এটা নাহৰফুটুকী বাঘ আহি পালৰ মাজৰপৰা দামুৰি এটাক ধৰিলে। বাঘৰ গাজনি, দামুৰিটোৰ চিঞৰ-বাখৰ আৰু গৰু পালৰ বিপদসূচক এক অদ্ভুত বিননিয়ে যেন এটা মহাপ্ৰলয়ৰ সৃষ্টি কৰিলে। থাংৰিং আৰু টুনীয়ে 'হউ হউ' বুলি বাঘ খেদিবলৈ ধৰিলে। বাঘে কিন্তু একোলৈকে গ্ৰাহ্য নকৰি দামুৰিটো লৈ হাবিৰ মাজত সোমালগৈ। থাংৰিঙে আতঙ্কত লৰি ফুৰা গৰুবিলাকক খেদি এঠাইত থূপ কৰিবলৈ ধৰিলে। এই কামত পলম হ'লে বাঘৰ ভয়ত গৰুবিলাক যেনিয়ে-তেনিয়ে হাবিত সোমাব আৰু তেতিয়া এটা বাঘেই এদিনতে বহুত গৰু মাৰিবলৈ সুচল পাব।

বাংখঙে বিলত মাছ মাৰিবলৈ বুলি যাব ধৰিছিল। বাটতে টুনীক এনে ব্যস্ত হৈ আহিবলৈ ধৰা দেখি কাৰণ কি সুধিলে। টুনীৰ মুখত বাঘে গৰু ধৰাৰ কথা শুনি হাতত থকা শিঙাটো শঙ্খ বজোৱাৰ দৰে টুটু-টুটু-টুটু কৰি বজাবলৈ ধৰিলে। সেই শব্দ শুনা মাত্ৰকে গঞাসকলে নিজ নিজ খাপৰ যাঠি-জোং আদি লৈ লৰ দিলে। টুনী আৰু বাংখঙো আগবাঢ়ি গ'ল। সিহঁতৰ মুখত ঘটনাৰ বিবৰণ শুনি সকলোৱে জাল-জৰী লৈ বাঘ থকা হাবিৰ চাৰিওফালে জাল দি বেঢ়িলে। আন আন মানুহৰ লগত টুনীও বাঘ খেদিবলৈ হাবিত সোমাল। তাইৰ লগে লগে থাকিল বাংখং।

বাঘ মৰা পৰিল। বাংখং আৰু টুনীয়ে আন আন মানুহৰ লগতে হাবিৰ মাজৰ পৰা ওলাই আহিল। যিবিলাক অলপ আঁতৰত আছিল সিবিলাক দুয়ো বাঘৰ চিঞৰ আৰু বনৰ মূৰত মৰণ-কামোৰ দিয়া কথা বিবৰি ক'বলৈ ধৰিলে।

থাংৰিঙে দেখিলে এই সুযোগতে বাংখঙে টুনীৰ ওচৰে ওচৰে ফুৰিছে। তাৰ বৰ খং উঠিল। সি কিমানবাৰ টুনীক বাংখঙৰ পৰা আঁতৰ হ'বলৈ চকুৰে ইঙ্গিত কৰিলে; কিন্তু টুনীয়ে তালৈ লক্ষ্য কৰা দূৰৰ কথা তাৰ ফাললৈ নোচোৱাই হ'ল।

থাংৰিঙে এই ঘটনাৰ পৰা অন্তৰত বৰ আঘাত পালে। পোন প্ৰথমে তাৰ বৰ খং উঠিছিল। কিন্তু প্ৰতিশোধ ল'ব নোৱাৰা খং ক্ৰমে দুখ-বেজাৰত পৰিণত হ'ল। এবাৰ মনে মনে ঠিক কৰিলে সি আৰু তাইৰ লগত কোনো সম্বন্ধ নাৰাখিব; কিন্তু ডেকা-কলীয়া প্ৰবৃত্তিয়ে তাইক পাবৰ আগ্ৰহ বঢ়াই তুলিলে।

টুনী যেতিয়া গৰু নিবলৈ পথাৰত ওলাল তেতিয়া বাংখং তাইৰ লগত অহা দেখি থাৰিঙৰ অন্তৰত প্ৰতিহিংসাৰ জুই জ্বলিবলৈ ধৰিলে। টুনীয়ে একোলৈকে লক্ষ্য নকৰি থাংৰিঙক মাতিবলৈ ধৰিলে। কিন্তু সি নিৰুত্তৰ। তাইৰ ওপৰত অভিমানে তাৰ মুখখন ডাৱৰে ঢকা বতৰৰ দৰে ক'লামলা কৰিলে। টুনীয়ে সেইবোৰৰ একো তত ধৰিব নোৱাৰি আগৰ নিচিনাকৈ তাক মাতি ক'লে, "সৌ গৰুজনী ঘূৰাই লৈ আহগৈ।"

থাংৰিং নগ'ল দেখি টুনীয়ে বাংখঙৰ মুখৰ পিনে চালে। তাৰ গৰু চৰোৱাৰ পাল নহ'লেও টুনীৰ মনৰ ভাব বুলিব পাৰি গৰু ঘূৰাবলৈ লৰ মাৰিলে। থাংৰিঙে আৰু সহি থাকিব নোৱাৰি চিঞৰি ক'লে, "নাযাবি, তোৰ গৰু ৰখাৰ পাল নহয়।" কিন্তু বাংখঙে সেই কথালৈ মন নিদিলে। তাকে দেখি থাংৰিঙেও সেই ফাললৈ লৰ দিলে। গৰুজনীৰ ওচৰ পাই একো মাত-বোল নকৰাকৈ বাংখঙৰ মূৰত মাৰি ডালেৰে দিলে একোৰ বহুৱাই। ভাগ্য ভাল আছিল মূৰ আঁতৰাই দিলে। ন'হলে তাৰ মূৰ ফালি গ'লহেঁতেন। হঠাৎ আক্ৰান্ত বাংখং মস্কিলত পৰিল। থাংৰিঙে আৰু বাংখঙক কোবাবলৈ মাৰিডাল তোলোতে সি লৰ মাৰি আঁতৰি গৈ পথাৰত পৰি থকা কাঠ এডোঘৰ তুলি লৈ দলি মাৰিবলৈ সাজু হ'ল।

টুনীয়ে থাংৰিঙক লৰ মৰা দেখি গৰু ঘূৰাবলৈ যায় বুলি ভাবিছিল। কিন্তু গৰু এৰি বাংখঙক কোবোৱা দেখি আচৰিত হ'ল। তাই লৰিগৈ বাংখঙৰ কাষ চাপি থাংৰিঙক গালি পাৰিবলৈ ধৰিলে। কাৰণ আজি খাংৰিঙৰ অবাধ্যতাৰ বাবে আৰু তাইক সহায় কৰোঁতাক অন্যায় অপমান কৰা দেখি তাৰ ওপৰত টুনীৰ খং উঠিছিল।

বাংখঙৰ হাতত কাঠৰ দলি দেখি থাংৰিঙৰ আৰু আগ বাঢ়িবলৈ সাহ নহ'ল।

তিনিও গৰু লৈ ঘৰমুৱা হ'ল। বাটত কোনেও কাকো নামাতিলে। বাংখঙে এটি টুনী চৰাইৰ পোৱালি আনি টুনীক উপহাৰ দিলে। পোৱালিটিয়ে একোকে নাখায়। দুয়ো ফৰিং ধৰি খুৱাবৰ চেষ্টা কৰিছে। ভাল ভাল চাই ফুল আনি তাৰ মৌ উলিয়াই চৰাই পোৱালিটোৰ মুখ মেলি খুৱাই দিবলৈ ধৰিছে। মুখৰ ভিতৰত আহাৰ সুমাই দিয়াত অৱশ্যে সি গিলে; কিন্তু খাবৰ আগ্ৰহ নেদেখি টুনী বৰ অস্থিৰ হৈ উঠিল। মাতৃত্ব তিৰোতা জাতিৰ স্বভাৱজাত গুণ বুলিয়ে হওক নাইবা আন কোনো কাৰণতেই হওক টুনীয়ে চৰাই পোৱালিটোক এবাৰ বুকুত এবাৰ হাতত লৈ নচুৱাবলৈ ধৰিলে। আৰু নানা মৰমিয়াল মাতেৰি চৰাইটোৰ গাত হাত বুলাই দিবলৈ ধৰিলে। পোৱালিটোৱে কিন্তু চকু মুদি কান্দে মাথোন। এই মৰমৰ জীৱটোক জীয়াই ৰাখিবলৈ তাইৰ সহায়কাৰী বাংখঙৰ ওপৰত নিৰ্ভৰ কৰিব লগীয়া হ'ল। বাংখং যিফালে যায় তায়ো তাৰ পাছে পাছে ফুৰিবলৈ ধৰিলে। আকৌ সিও ঘুৰি-পকি টুনীৰ ওচৰ চাপিবলৈ ধৰিলে।

থাংৰিঙে সকলো দেখিলে। টুনী আজি কি কাৰণত তাৰ ওপৰত বিমুখ সি একো বুজিব নোৱাৰিলে। মনৰ দুখত সি শুই পৰিল। অলপ পৰৰ পিছত আকৌ উঠিল। হাবিৰপৰা বুলবুলী চৰাইৰ পোৱালি ধৰি আনি টুনী আৰু বাংখং বহি থকা ঠাইৰপৰা অলপ আঁতৰত বহি ফৰিং খুৱাবলৈ ধৰিলে। টুনীয়ে দেখিলে। কিন্তু তাই নিজৰ চৰাইৰ পোৱালিক লৈ বৰ ব্যস্ত আছিল। সেইফালে মন দিব নোৱাৰিলে। থাংৰিঙে সুধিলে, "কাক লাগে চৰাইৰ পোৱালি?"

এইবাৰো কোনেও একো উত্তৰ নিদিয়া দেখি থাংৰিঙে তাৰপৰা অলপ আঁতৰলৈ গৈ গছৰ তলত বহি বাঁহীত তাৰ বিষাদপূৰ্ণ কৰুণ সুৰ তুলিলে। কিন্তু আজি টুনীৰ হৃদয়ৰ তাঁৰ অলপ বেসুৰীয়া হৈছিল। গতিকে তাক অকণো কঁপনি নুঠিল। থাংৰিঙে আৰু কি কৰিব? লাহে লাহে চৰাইৰ পোৱালিটো লৈ ঘৰমুৱা হ'ল।

বহুত চেষ্টাতো চৰাইৰ পোৱালিটোক জীয়াব নোৱাৰি টুনীয়ে চকুলো টুকিলে। তেতিয়া গধুলি। বাংখঙে ক'লে, "নাকান্দিবি ঐ, মই কাইলৈ আন এটা পোৱালি আনি দিম।" টুনীৰ ইমান পলম কৰিবৰ ইচ্ছা নাই। তাইৰ উদ্বেলিত মৰমে এটা অৱলম্বন বিচাৰে। টুনীয়ে বাংখঙক এৰি থাংৰিঙহঁতৰ ঘৰ বুলি ল'ব দিলে। দুৱাৰ মুখলৈ গৈ মাতিলে, "খাংৰিং, অ' থাংৰিং। চৰাইৰ পোৱালি দিবি বোলে। দে মোক, মই পুহিম।"

হেৰোৱা ধন আকৌ পাই থাংৰিঙৰ গাত তত আহিল। কিন্তু অভিমানে তাক আগুৰি পেলালে। সি একো নামাতিলে। টুনীয়ে একো উত্তৰ নাপাই আকৌ সুধিলে, "অ থাংৰিং, পোৱালি কাক লাগে বুলি সুধিছিলি দেখোন? দিয় যদি দে?"

এইবাৰো অভিমানী ডেকা নিৰুত্তৰ। টুনীয়ে বুজি পালে থাংৰিঙে খং কৰিছে। তাইক পোৱালিটো নিদিয়ে। কাৰণ তাই আজি ওৰে দিনটো তাৰ বাধা নামানি বাংখঙৰ লগত ফুৰিছে। নিশ্চিতভাৱে পাবৰ আশাত নিৰাশ হৈ তাই মনে মনে লাজ পাই ঘৰলৈ যাবলৈ ধৰিলে। তাইক গুচি যোৱা দেখি থাংৰিঙৰ হুচ হ'ল। হাতৰ মুঠিত পোৱা ধন আকৌ হেৰায় হ'বলা। সি বেগাই ঘৰৰপৰা ওলাই গৈ মাজ বাটত টুনীৰ হাতত ধৰিলে। টুনী থিয় হ'ল। কিন্তু মাত নিদিয়াকৈ হাত জোকাৰিলে। পিছত ক'লে, "হাতত ধৰিব আহিছ কিয়?"

থাংৰিঙে উত্তৰ দিয়াৰ আগতে বাংখং আহি আন ফালৰ পৰা এখন হাতত টানি ধৰিলে। তাকে দেখি আকৌ থাংৰিঙেও আনখন হাতত টানিবলৈ ধৰিলে। তাই খং কৰি দুয়োকে "এৰি দে এৰি দে" বুলি গালি পাৰিবলৈ ধৰিলে। এনেতে ভন্দৰা চিপাহী আহি তাত উপস্থিত হৈ দুই ডেকাৰ কাণ্ড দেখি ধমক দিলে। বাধ্য হৈ দুয়ো টুনীৰ হাত এৰি দিলে।

ভন্দৰা চিপাহী গাঁৱৰে এজন ডেকা। তুৰা পাহাৰত সামৰিক পুলিচৰ কাম কৰে। এমাহৰ ছুটি লৈ ঘৰলৈ আহিছে। তাক পাই গাঁৱৰ ডেকা-বুঢ়া, ল'ৰা-ছোৱালী সকলোৰে মহা আনন্দ। চিপাহীৰ চাকৰি ইহঁতৰ ভিতৰত এটি লোভনীয় বস্তু। চিপাহীৰ গাঁৱৰ ভিতৰত মান-সন্মান বহুত। তাৰ বাহিৰেও ভন্দৰাই নানা ঠাই ফুৰা, নানা বাবু নানা চাহাবৰ কথা, ৰেলগাড়ী, জাহাজ প্ৰভৃতিৰ কথা সঁচাই-মিছাই এনেভাৰে বৰ্ণনা কৰিব পাৰিছিল যে সকলোৱে অবাক হৈ মুখ মেলি তাৰ কথা অতি আগ্ৰহৰে শুনে। টুনীৰ কথা ক'বই নালাগে। ওৰে দিনটো তায়ো এই ভন্দৰাৰ লগতে।

দেখি শুনি থাংৰিং আৰু বাংখং দুয়োৰে অন্তৰ ডেইপুৰি ছাই হ'বলৈ ধৰিলে। দুয়ো হতাশ অন্তৰেৰে একে ঠাইতে বহি চিপাহী চাকৰিৰ প্ৰয়োজনীয়তা সম্বন্ধে আলোচনা কৰিবলৈ ধৰিলে। দুয়ো ঠিক কৰিলে মাক-বাপেকে নিদিলেও সিহঁত পলাই চিপাহীৰ চাকৰি কৰিবলৈ যাব।

থাংৰিঙৰ বাপেকে দেখিলে পুতেকৰ মন মৰা হৈ ৰৈছে। অনুমানতে বুজিলে টুনীৰ নিমিত্তেই তাৰ এই দশা। পলম নকৰি তাইক বোৱাৰী ৰূপে পাবৰ কাৰণে সিহঁতৰ জাতীয় প্ৰথামতে কেইজনমান মানুহ লৈ জোৰকৈ ছোৱালীজনীৰ মূৰত তেলপানী দিলে। সেই মুহূৰ্ততে দুয়োদলৰ মাজত ভীষণ মৰা-মৰি লাগিল। কাৰো হাত ভাঙিল, কাৰো ভৰি ভাঙিল, কাৰো দাঁত। কাৰো বা নাক ফাটি তেজ ওলাবলৈ ধৰিলে। এনেতে ভন্দৰা চিপাহী মাজত সোমাই যুঁজ থমাই দিলে। দৰা-পক্ষই ক'বলৈ ধৰিলে, "ছোৱালীৰ মূৰত তেল দিয়া হৈছে যেতিয়া থাংৰিঙৰ লগত বিয়া দিবই লাগিব। বাংখঙৰ দেউতাকে নিজ পুতেকৰ মন বুজি কইনাৰ পক্ষ লৈ জাবাৰ দিলে, "ছোৱালী দিয়া নহ'ব।" বৰ পক্ষই আপত্তি কৰিলে, "তেনেহ'লে এনেই মাৰ খোৱা হ'ল নেকি?"।

ভন্দৰাই মধ্যস্থ হৈ ক'লে, "আজি সেই পুৰণি নিয়ম নচলিব। মাক বাপেক আৰু ছোৱালীক সুধিব লাগিব— এই বিষয়ত মত আছে নে নাই। জোৰ জুলুম নচলিব। বৰ্তমানৰ সকলো কিল খোৱাৰ কষ্ট এনেয়ে গ'ল।"

গাঁৱৰ সকলো মানুহ আৰু গাঁওবুঢ়াৰ ওপৰতো ভন্দৰাৰ আধিপত্য দেখি অকল টুনীয়ে নহয় গাঁৱৰ তিৰোতা মাত্ৰৰে ভন্দৰা সন্মানৰ পাত্ৰ হৈ উঠিল। টুনীয়েও মাকৰ আগত ক'লে, "বাংখং আৰু থাংৰিঙৰ ভিতৰত যেয়ে এই ভন্দৰাৰ দৰে চিপাহী হৈ আহিব পাৰিব তাই তাৰ লগতহে বিয়াত বহিব।"

চিপাহী চাকৰিৰ কাৰণে বাংখং আৰু থাংৰিঙে আগৰপৰাই ভাবি আছিল। টুনীৰ মনৰ কথা জানিব পাৰি দুয়ো ঘৰৰপৰা গুচি গ'ল। যোৱাৰ আগতে দুয়ো বেলেগে বেলেগে টুনীক লগ ধৰি উভতি নহালৈকে তাই যেন কাকো বিয়া নকৰায় বুলি শপত দি বিদায় ল'লে।

টুনীয়ো তাইৰ ছোৱালী-কালৰ দুই লগৰীয়াক চিপাহী হ'বলৈ যোৱা দেখি ৰং পালে। ঘৰৰ কোনেও একো নজনাকৈ দুয়োজনাকে তাইৰ নিজ হাতে বোৱা একোখনকৈ ফুলাম গামোছা আনি দিলে। সিহঁতৰ বিদায় পৰত চকুপানী দেখি টুনীৰো চকুলো ৰৈ পৰিল। মনটো তাইৰ কেনেবা কেনেবা কৰিবলৈ ধৰিলে। ঘৰলৈ গৈ ঢাৰি-পাটীত পৰি থাকিল।

আজি গাঁৱৰ উছৱত ছোৱালীবিলাকে নাচিবৰ কথা। সকলো আহি উপস্থিত। নাই ওলোৱা আহি অকল প্ৰধান নাচনী টুনী। কেইজনীমান ছোৱালীয়ে মাতি আনিবলৈ গৈ দেখিলে টুনীয়ে কান্দিছে। তাইৰ গা ভাল নহয় বুলি ছোৱালীহঁতক বিদায় দিলে।

উৎসৱৰ অনুষ্ঠাতা ভন্দৰা চিপাহীয়ে দেখিলে, টুনীয়ে নেনাচিলে তাৰ টকা-পইচা অথলে যাব। তাইৰ সদায় হাঁহি থকা মুখখনি, ভৰপূৰ গা, সুঠাম হাত দুখনি আৰু ক্ষীণ কঁকালখনিৰে হালিজালি যেতিয়া এহাতেৰে ঢাল আৰু আন হাতেৰে তৰোৱাল লৈ নাচিব তেতিয়া যে মৰ্ত্যত পাৰিজাত ফুলিব, মন্দাকিনী বব। ভন্দৰাই নিজে তাইক মাতিবলৈ আহিল। মাত শুনি তাই চকু মোহাৰি ঘৰৰপৰা ওলাল আৰু পলম নকৰি তাৰ লগতে নাচৰ ঠাইত গৈ হাজিৰ হ'ল।

মদল, শিঙা, বাঁহীৰে ৰোল উঠিছে। সকলো তিৰোতাই ঢাল-তৰোৱাল লৈ নাচিব লাগিছে। টুনীৰ অন্তৰত তাৰ লয় আৰু তালে মত্ততা আনি দিলে। থাংৰিং আৰু বাংখঙৰ বিদায়-কাতৰ মুখৰ স্মৃতি ক'ৰবাত লোপ পালে। ঢাল-তৰোৱাল লৈ সকলো তিৰোতাৰ আগত গৈ থিয় হ'ল। স্নেহৰ প্ৰতিমূৰ্ত্তি এই সুঠাম নাৰীৰ হাতত চোকা ধাৰৰ তৰোৱাল কোমল কঠিনৰ সমাবেশ হৈ এক অপূৰ্ব্ব দৃশ্য। ভন্দৰাই প্ৰাণ ভৰি তাইৰ নাচৰ ললিত দৃশ্য চাবলৈ ধৰিলে। মনত ভাব আহিল এই ৰমণী-ৰত্ন যাৰ অঙ্ক শায়িনী হ'ব সি কিমান ভাগ্যবান!

নাচ বন্ধ হ'ল। ভন্দৰাই গৈ এক 'বেৰেক' (লাও টোকোৰা) মদ টুনীৰ হাতত দিলে। তাই আকণ্ঠ পান কৰি মধুৰ কটাক্ষপাত কৰি ভন্দৰাক ধন্য কৰিলে। ভন্দৰাই থিৰেৰে থাকিব নোৱাৰি তাইৰ হাতত ধৰি ক'লে, "তোত মোৰ মন খাইছে।"

টুনীয়ে লাহেকৈ হাত গুচাই লৈ মিচিকিয়া হাঁহিৰে উত্তৰ দিলে, "মিছা কৈছ, কিয় মোত মন খাব?"

ডেকা চিপাহীয়ে অতি কাতৰ হৈ ক'লে, "মিছা নহয়, ওপৰত ভগৱান আছে। মই শপত খাই কৈছোঁ, মই তোক পালে বিয়া কৰাম।"

টুনীৰ মুখখন ৰঙা পৰি উঠিল। কিন্তু তাই একো নামাতিলে।

সকলোৰে মত লৈ ভন্দৰা আৰু টুনীৰ বিয়াৰ ঠিক হ'ল। এই বিয়াৰ প্ৰস্তাৱত গাঁৱৰ সকলোৱে চাগৈ ভাল পালে। টুনীয়ে যেন উলাহতে নাচি ফুৰিছে। গাঁৱৰ আন আন গাভৰু-ছোৱালীবিলাকৰ মনত হিংসা হবলৈ পৰিলে।

দুদিন পিছতে এখন হাট বহিব। সেই হাটলৈ গৈ বিয়াৰ বস্তু-বাহানি কিনি আনিলে তাৰ পাছত বিয়া। চাউল সিজাই ডাঙৰ ডাঙৰ 'জোঙা' ভৰাই মদ পতা হৈছে। টুনীয়ে তাইৰ পিন্ধা পাতনি বৈ অতাইছে। আন সকলো ঠিক।

হাটৰপৰা যি অলপ-আচৰণ বস্তু আনিবলগীয়া আছিল তাক আনিবলৈ দুয়ো পক্ষৰে মানুহ গৈছে। গাঁৱৰ বিটৰ ডাকোৱালে টুনীৰ বাপেকক লগ পাই তাৰ কেয়াৰত বাংখঙে টুনীৰ নামে পঠিওৱা এটা পার্চেল দি গ'ল।

টুনীয়ে খুলি চালে এখন ৰুমাল আৰু এচিছা গোন্ধ তেল। তাইৰ মহা আনন্দ। সকলোকে দেখুৱাই ফুৰিলে। যেতিয়া বিয়াৰ বাজনা বাজিলে তেতিয়াহে তাইৰ হুচ হল। তাই যে কি সৰ্ব্বনাশ কৰিব ধৰিলে! মাকৰ আগত ক'লে, "আইতা মই ভন্দৰাক বিয়া নকৰাওঁ।"

মাক-বাপেক দুয়ো শুনি আচৰিত! দুয়ো খং কবি ক'বলৈ ধৰিলে, "তোৰ ইচ্ছাই ইচ্ছা নেকি? বিয়া নকৰাহে যদি আগেয়ে মান্তি হৈছিলি কিয়?

ভন্দৰাই শুনি ভয় দেখুৱালে— ইমান আগবাঢ়ি বিয়া বন্ধ কৰিলে গোটেই গোষ্ঠীকে সি ফাটেকত দিব। জোৰ কৰি বিয়াও কৰাব।

টুনীয়ে এতিয়াহে অৱস্থাৰ গুৰুত্ব বুজি পালে। হায় হায়! তাই কিয় ভন্দৰাৰ কথাত মান্তি হৈছিল? ইটো থাংৰিং বা বাংখং নহয় যে যিহকে ইচ্ছা তাকে কৰিব। অকল সেয়ে নহয়, তাই যে শপত খাইছিল বাংখংহঁতৰ নিমিত্তে বাট চাই থাকিব বুলি। এতিয়া উপায় কি?

কেইজনীমান ছোৱালীয়ে চিপাহী দৰা বিচাৰিবৰ বাবে জিলালৈ যাবলৈ কথাবার্ত্তা চলাইছে। টুনীয়েও গৈ সিহঁতৰ লগত যোগ দিলে। আৰু পাৰে যদি আজি ৰাতিতে ঘৰ এৰিলে ভাল বুলি ক'লে।

টুনীক লগ পাই গাভৰু কেইজনীয়ে ভাল পালে। কাৰণ লগৰীয়া বাঢ়িল। আকৌ টুনীৰ বাবে বাংখঙৰ ওচৰত আশ্রয় পাবও পাৰে।

ৰাতি যেতিয়া সকলো টোপনিত অচেতন তেতিয়া ছোৱালীহঁত হাতত সাৰে ভৰিত সাৰে ঘৰৰপৰা ওলাই গৈ নির্দ্দিষ্ট ঠাইত গোট খালে। টুনীৰ ওলোৱাত অলপ পলম হ'ল। কাৰণ বিয়াৰ ঘৰত কাম-বনৰ অলপ পলম হয়। তাই যেতিয়া নির্দ্দিষ্ট ঠাইত উপস্থিত হলগৈ তেতিয়া হঠাৎ থাংৰিঙো আহি আগতে ওলাল। সি টুনীৰ বিৰহ সহিব নোৱাৰি জিলাৰপৰা গুচি আহি গধুলি পৰত ঘৰ পাইছিলহি। টুনীৰ বিয়াৰ কথা শুনি তাইক এবাৰ লুকাই লগ পাবলৈ তাইৰ ঘৰৰওচৰত এই ৰাতি উপস্থিত হৈছিল। টুনী টালি-টোপলা লৈ ওলোৱা দেখি কাণ্ড কি তাক চাবৰ কাৰণে সি লুকাই আছিল পাছে পাছে আহি সি তাইক লগ ধৰিলে। তাকে দেখি টুনীয়ে যেন হাত মেলি স্বৰগ ঢুকি পালে।

সকলোৱে ৰাওনা হ'ব। এনেতে পাছৰ পৰা কোনোবাই মাতিলে "হল হুকুমদাৰ!" সকলোৱে আচৰিত হ'ল। ই ভন্দৰা চিপাহী! নিজ অভ্যাস মতে সি চৰকাৰী বুলি ধৰিলে। এটা অফুট শব্দ কৰি ছোৱালীবিলাকে যেয়ে যিফালে পালে লৰ দিলে। টুনীয়ে চিঞৰি উঠি থাংৰিঙক সাবটি ধৰি অজ্ঞান হ'ল।

*** ***** ***